জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮২/২০২২**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ইণ্ডো-বাংলাদেশ প্ৰট’কল পথেৰে পাটনাৰ পৰা আহি গুৱাহাটীত উপস্থিত হোৱা প্ৰথমখন মালবাহী জাহাজ ‘এম ভি লালবাহাদুৰ শাস্ত্ৰী’ক পাণ্ডু বন্দৰত আনুষ্ঠানিক আদৰণি মুখ্যমন্ত্ৰীৰ

# স্বাধীনতাৰ ৭৫ বছৰৰ পাছত বহিঃৰাষ্ট্ৰৰ মাজেৰে জলপথেৰে ৰাজ্যলৈ সামগ্ৰী পৰিবহণৰ সূচনা অঞ্চলটোৰ ইতিহাসত এক মাইলৰ খুটিৰূপে চিহ্নিত হৈ ৰ’ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৬ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ইণ্ডো-বাংলাদেশ প্ৰট’কল পথেৰে পাটনাৰ পৰা আহি গুৱাহাটীত উপস্থিত হোৱা প্ৰথমখন মালবাহী জাহাজ ‘এম ভি লালবাহাদুৰ শাস্ত্ৰী’ক পাণ্ডু বন্দৰত আনুষ্ঠানিকভাৱে আদৰণি জনায়।

উল্লেখযোগ্য যে বিহাৰৰ পাটনাৰ পৰা ভাৰতীয় খাদ্য নিগমৰ ২০০ মেট্ৰিকটন খাদ্যশস্য কঢ়িয়াই অনা প্ৰথমখন মালবাহী জাহাজ ‘এম ভি লালবাহাদুৰ শাস্ত্ৰী’য়ে ৰাষ্ট্ৰীয় জলপথ-১ আৰু ৰাষ্ট্ৰীয় জলপথ-২ৰে গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ বুকুৰেদি ২৩৫০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি ‘ইণ্ডো-বাংলাদেশ প্ৰটোকল পথ’ৰ মাজেৰে আহি আজি পাণ্ডু বন্দৰত উপস্থিত হৈছেহি। আনহাতে হালদিয়াৰ পৰা ১৮০০ মেট্ৰিকটন ষ্টীলৰ সামগ্ৰী কঢ়িয়াই অনা এখন জাহাজো কেইদিনমানৰ ভিতৰতে পাণ্ডু পাবহি। সেইদৰে নুমলীগড় শোধনাগাৰৰ উচ্চ ক্ষমতাযুক্ত সামগ্ৰী কঢ়িয়াই অনা অন্য এখন জাহাজেও গংগা-ব্ৰহ্মপুত্ৰ হৈ ধনশিৰি অভিমুখে যাত্ৰা আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

‘এম ভি লালবাহাদুৰ শাস্ত্ৰী’ক আদৰণি জনোৱাৰ বাবে পাণ্ডু বন্দৰ প্ৰাংগণত আয়োজিত এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে আজিৰ দিনটোক সমগ্ৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত-যোগাযোগ তথা অৰ্থনৈতিক ক্ষেত্ৰৰ বাবে এক যুগান্তকাৰী দিন বুলি অভিহিত কৰে। তেওঁ কয় যে স্বাধীনতাৰ ৭৫ বছৰৰ পাছত বহিঃৰাষ্ট্ৰৰ মাজেৰে জলপথেৰে ৰাজ্যলৈ সামগ্ৰী পৰিবহণৰ সূচনা অঞ্চলটোৰ ইতিহাসত এক মাইলৰ খুটিৰূপে চিহ্নিত হৈ ৰ’ব। ‘পৰিবহণৰ জৰিয়তে পৰিৱৰ্তন’ সাধনৰ বাবে থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ চতুৰ্থটো স্তম্ভ জলমাৰ্গৰ বিকাশেৰে অঞ্চলটোৰ অৰ্থনৈতিক ক্ষেত্ৰলৈ এক নতুন সম্ভাৱনাৰ দ্বাৰ মুকলি কৰাৰ বাবে বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জলপথৰ জৰিয়তে মালবাহী জাহাজ চলাচলৰ শুভাৰম্ভই এতিয়া স্থলপথৰ ওপৰত থকা বাধ্যতামূলক নিৰ্ভৰশীলতা বহুলাংশে নোহোৱা কৰিব। এই পথত মালবাহী জাহাজৰ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নিয়মীয়া চলাচলে নিযুক্তিৰ সম্ভাৱণাও সৃষ্টি কৰাৰ লগতে স্থানীয় সামগ্ৰীৰ বাবে এক বিশ্বব্যাপ্ত বজাৰৰ দুৱাৰ মুকলি কৰিব। তুলনামূলকভাৱে কম ব্যয়যুক্ত জলপথৰ জৰিয়তে উন্নত সংযোগ ব্যৱস্থাই অঞ্চলবাসীৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনিব বুলি মন্তব্য কৰি তেওঁ কয় যে ইয়াৰ ফলত অঞ্চলটোৰ যুৱক-যুৱতী আৰু ব্যৱসায়ীসকলে ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সহজেই কাষ চাপিব পাৰিব।

ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ প্ৰচেষ্টাত তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ তৎপৰতাত আজি উত্তৰ-পূবৰ বাবে বাংলাদেশৰ জলপথ, স্থলপথ আৰু ৰে'লপথ ব্যৱহাৰৰ অনুমতি লাভ কৰা গৈছে। এই পদক্ষেপৰ ফলত কলকাতাকে ধৰি দেশৰ মূল অংশৰ সৈতে অঞ্চলটোৰ দূৰত্ব বহুখিনি হ্ৰাস পাব বুলি তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰৰ 'এক্ট ইষ্ট' নীতি অনুসৰি জলপথৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে যোগাযোগ উন্নত কৰাৰ বাবে ভাৰত চৰকাৰৰ বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ জৰিয়তে ৰাষ্ট্ৰীয় জলপথ-১, ভাৰত-বাংলাদেশ প্ৰটোকল পথ আৰু ৰাষ্ট্ৰীয় জলপথ-২ৰ ওপৰত কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প হাতত লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী গতি-শক্তি শীৰ্ষক ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেনৰ অধীনত ব্ৰহ্মপুত্ৰ নদীত কাৰ্গো চলাচল ত্বৰান্বিত কৰাৰ বাবেও এক একত্ৰিত পৰিকল্পনা হাতত লোৱা হৈছে।

ৰাজ্যখনৰ আভ্যন্তৰীণ জল পৰিবহণ খণ্ডৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে হাতত লোৱা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৱাহাটীৰ শুক্লেশ্বৰ ঘাটৰ সমীপত এক বৃহৎ টাৰ্মিনেল নিৰ্মাণৰ লগতে ১৩ টা সৰু টাৰ্মিনেল নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। যাত্ৰীবাহী ফেৰীসমূহৰ ই-টিকেটিং ব্যৱস্থা প্ৰৱৰ্তনৰ লগতে আই আই টি, মাদ্ৰাজৰ সহযোগত 'নাইট নেভিগেশ্যন' ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰচেষ্টা চলাই থকা হৈছে। অধিক মাত্ৰাত নদী এম্বুলেঞ্চ সেৱাৰ ব্যৱস্থা কৰাৰ লগতে নদী পৰ্যটনৰ প্ৰসাৰৰ দিশতো বহুতো পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয় আৰু বিশেষকৈ দপ্তৰটোৰ মূৰব্বী সৰ্বানন্দ সোণোৱালৰ সহযোগিতাত সকলোধৰণৰ ভৌগোলিক প্ৰত্যাহ্বান নেওচি অঞ্চলটোৰ জল পৰিবহণ খণ্ড এক নতুন দিগন্তত উপনীত হ'বলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধ্যক্ষ সঞ্জয় বন্দোপাধ্যায়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, শ্যামাপ্ৰসাদ মুখাৰ্জী বন্দৰৰ অধ্যক্ষ বিনীত কুমাৰ, ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সঞ্চালক এ চেলভাকুমাৰৰ লগতে জলপথ মন্ত্ৰালয় আৰু প্ৰাধিকৰণৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**০৬-০৩-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in